(মিচিং লোককথা)

Jo:g u:i/ বাকৰ কাহিনী

অতি পুৰণিকালৰ কথা। এখন পাৰুত কংকুট দলে নামৰ এজন বুঢ়া তেওঁৰ পত্নীৰ লৈতে বাস কৰিছিল। গাওঁখনত মানুহৰ বসতি অতি কম আছিল। সেইসময়ত হাবি-জংঘল অতি ঘন আছিল। গাঁওখনত মানুহৰ ঘৰবোৰ দূৰে-দূৰে আছিল। এখন ঘৰৰ পৰা আন এখন ঘৰলৈ যাবলৈ বাট-পথৰ অসুবিধা আছিল। সেইসময়ত মানুহবোৰে মাছ-মাৰি খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। নদী কাষৰীয়া জংঘলসমূহ কাটি-কাটি খেতিৰ মাটি উলিয়াই লৈছিল আৰু কাষৰ নদ-নদী, খাল-বিল, পুখুৰী, জলাশয় সমূহত মাছ মাৰি খাইছিল।

Scanned with CamScanner

খেৰালী জাল আৰু এটা মোনা ককালত বান্ধি লগত দা এখন লৈ বংকুট বুঢ়া গাৱে মাছ মাৰিবলৈ গৈছিল। ওচৰৰ বিলবোৰত মাছ কমকৈ পোৱা বাবে এদিন তেওঁ দূৰৰ বিলত মাছ মাৰিবলৈ থিৰাং কৰিলে। গাঁৱৰ মানুহৰ মুখে মুখে চলি আছিল যে দূৰৰ বিলখনত মাছৰ জোন পাৰি থাকে। কিন্তু বাকৰ ভয়ত কোনো তালৈ মাছ মাৰিবলৈ নাযায়। বংকুট বুঢ়া কিন্তু বৰ সাহসী আছিল। তেওঁ কালেকো ভয় নকৰিছিল। আনকি; তেওঁ ভূত-প্ৰেতলৈও ভয় নকৰিছিল।

কথামতেই কাম। বুঢ়াই এদিন বুঢ়ীক ক'লে – 'হেৰা, মই আজি দূৰৰ বিলত মাছ মাৰিবলৈ যাওঁ। বেছিকৈ মাছ মাৰি আনিব পাৰিলে শুকুৱাই নামছিং কৰি খৰালি কালত খাব পাৰিম।'– সেই বুলি কৈ বুঢ়া নাওখন লৈ মাছ মাৰিবলৈ ওলাই গ'ল।

সঁচাকৈয়ে বিলখনত মাছবোৰে উৰ্ফাৰ পাতি আছিল। ৰৌ, বৰালি, আঁৰি, কাৰে, পৰে, পুচি, খলিহনা আদি মাছবোৰে বিহু নাছি আছিল। বংকুট বুঢ়া আনন্দত আত্মহাৰা হৈ মাছ মাৰিবলৈ বৰিলে। এফালৰ

পৰা জাল পেলাই মাছ মাৰিবলৈ ধৰিলে। জালৰ পৰা মাছবোৰ ঠোঁই নাৰত থকা পাচিত থৈ যায়। মাছ মাৰি ভৰ দুপৰ হ'লগৈ। পিছে বুঢ়াই দেখে পাচিত থকা মাছবোৰ নাবাঢ়েহে নাবাঢ়ে। ভালকৈ লক্ষ্য কৰি দেখিলে যে, মাছবোৰ কোনোবাই খাই পেলাইছে আৰু মাছৰ মূৰবোৰ পাচিত পেলাই থৈ দিছে। বুঢ়াৰ আৰু বুজিবলৈ বাকী নাথাকিল যে, এয়া বাকৰ কাম। বুঢ়াই একো নজনা ভাও জুৰি ক্ৰমান্বয়ে জাল পেলাই মাছ মাৰি থাকিল। ইফালে বাকে বুঢ়াই পম নোপোৱা দেখি মাছ খায়ে থাকিল। বেলি মাৰ যোবাৰ আগতে বুঢ়াই খেৰালী জালখন পানীত পেলোৱাৰ চলেৰে নাৱত বহি মাছ খাই থকা বাকলৈ পেলাই দিলে। বুঢ়াৰ জালত বাক বন্দী হ'ল। লগে লগে বুঢ়াই মন্ত্ৰ মাতি বাকৰ জীউটো ককালত বান্ধি থোৱা মোনাটোত ভৰাই থ'লে। লগে লগে বাক এটা ল'ৰা হৈ পৰিল। বুঢ়াই ল'ৰাটোক (বাক) লৈ ঘৰলৈ উভতি আহিল আৰু বুঢ়ীক তেওঁলোকৰ হালোৱা বুলি চিনাকী দিলে।

এনেদৰে সময়বোৰ পাৰ হৈ বহুবছৰ গল। বুঢ়াৰ ঘৰত হালোৱা হৈ বাক দিনে দিনে অতিষ্ঠ হৈ পৰিল। বুঢ়া আৰু বুঢ়ীয়ে তাক বহুত খটুৱালে। তাৰ সদাই এটাই চিন্তা, কেনেকৈ বুঢ়াৰ মোনাটোৰ পৰা তাৰ জীউটো

ঘূৰাই লয়। এদিন কংকুট বুঢ়া গাঁৱৰ কোনোবা ঘৰত পকাগলে গল। বাকৰ জীৱে থকা মোনাটো চাংঘৰৰ ৰাব্বতে বান্ধি থৈ গল। বাকে চলে চাই বুঢ়ীৰ আগত জ্বৰ হোৱাৰ নাটক কৰিলে। "য়ায়' য়ায়'... মোৰ বৰ হৈছে, মই আৰু নাবাচিম, মই আৰু নাবাচিম'- সেই বুলি সি ভ্ৰম বকি থাকিল। বুঢ়ী চিন্তাত পৰিল, সি যদি লাচাঁকৈয়ে মৰি যায়! ইফালে বুঢ়াও নাই, কি হ'ব এতিয়া! বুঢ়ী তাৰ ওচৰলৈ গৈ লাহেকৈ সুধিলে- বোপা অ' অলপ ধৈৰ্য ধৰা, তাত' আহিলে তোমাক দৰৱ দিব তোমাৰ জ্বৰ ভাল হৈ যাব। বাকে ক'লে - য়ায়' - তাত'য়ে ৰাব্বডেৰ ওপৰত এটা মোনা থৈছে, তাতে থকা সৰিয়হকেইটা তেলত দি মালিচ কৰিলে মোৰ জ্বৰ ভাল হৈ যাব। য়ায়' মোনাটো আনি দিয়া। য়ায়', য়ায়.... মই নহ'লে মৰিম আৰু! য়ায়'... সেইবুলি সি ভ্ৰম বকি থাকিল। লৰাটোৰ অৱস্থা দেখি বুঢ়ীয়ে মোনাটো নমাই সৰিয়হকেইটা টেলিয়াবলৈ লওঁতেই লৰাটোৱে থাপ মাৰি বুঢ়ীৰ হাতৰ পৰা মোনাটো কাঢ়ি লৈ তাৰ জীৱটো ঘূৰাই ল'লে আৰু লগে লগে সি এটা ভয়ঙ্কৰ বাকলৈ পৰিৱৰ্তিত হ'ল। বাকে বুঢ়াক ঠাইতে ঠেকেচি মাৰি থৈ গ'ল।

কংকুট বুঢ়া ঘূৰি আহি বুঢ়ীক মৰি থকা পাই বৰ দুখ কৰিলে আৰু বাকৰ ওপৰত প্ৰতিশোধ ল'বলৈ চিৰাং কৰিলে। বুঢ়াক হেৰুৱাৰ দুখত বুঢ়া বহুত দিনলৈ ঘৰতে সোমাই থাকিল আৰু মাছ মাৰিবলৈও নোযোৱা হৈ থাকিল। ইফালে বাকে বিলত বুঢ়ালৈ ৰৈ আছিল, কেতিয়া বুঢ়া মাৰিব আহিব আৰু সি তাক হালোৱা কৰি বধাৰ প্ৰতিশোধ ল'ব? এনেকৈয়ে কেইবাদিনো গ'ল। বুঢ়াৰ ঘৰত খাবলৈ শুকান মাছকনো নাই কিয়া হ'ল। বুঢ়া বাধ্যতে পৰি বিলত মাছ মাৰিবলৈ গ'ল। বাকে বুঢ়াক জোকাবলৈ ধৰিলে। বুঢ়াই পিছে তাক আওকাণ কৰি দুটামান মাছ লৈ ঘূৰি যায়। বাকে বুঢ়াক ঘঃ ঠোৱলৈ নানা ধৰণে চেষ্টা কৰিবলৈ ধৰিলে। কেতিয়াবা বুঢ়াৰ ৰাস্তাত গছৰ ডাল পেলাই দিয়ে, বাটত কাষৰ ঘাঁহনিৰ পৰা নানা ধৰণৰ শব্দ টেলিয়াই ভয় খোৱাবলৈ ধৰিলে। বুঢ়াক শান্তি দিবলৈ সি নানা ধৰণৰ চেষ্টা চলাই থাকিল। বুঢ়া লাহে লাহে অতিষ্ঠ হ'বলৈ ধৰিলে আৰু মনে মনে তাৰ পৰা কেনেকৈ হাত সাৰিব পাৰি তাৰ চিন্তা লাগিল।

Scanned with CamScanner

এদিন ঘৰত শুই থাকোঁতে বাকে বুঢ়াক বাহিৰৰ পৰা শব্দ শুনিবলৈ আছিল। বুঢ়াই উত্তৰ দিলে "অ' বাক, মই কাইলৈ তোৰ লগত যুঁজ দিবলৈ হাবি তলিলৈ যাম, আজি তই যাগৈ।"– লগাঁ কৈছ বুঢ়া ? নহ'লে তোক মই ঘৰতে চেকেচি থৈ যাম।

কথামতেই কাম। বুঢ়া বাকৰ লগত যুজ দিবলৈ সম্পূৰ্ণৰূপে সাজু আছিল। ইমান দিনে বুঢ়াই বাকক হৰুৱাবলৈ নানান বুদ্ধি সাজি আছিল। বুঢ়াই নিজৰ গাত তেল দানি লৈছিল যাতে বাকে বুঢ়াক সহজতে ধৰিব নোৱাৰে। বুঢ়াই আঙুলিবোৰত বৰশী বান্ধি লৈছিল আৰু ডিঙিত জালৰ গুৰা ওলোমাই লৈছিল লগতে মোনা এটাত সৰিয়হৰ গুটি মন্ত্ৰ মাৰি কাকালত ওলোমাই লৈছিল। যিহেতু বাকৰ পাটো বৰ নোমাল আৰু পিছল. সেয়ে তাক সহজে ধৰিব নোৱাৰে। পিছদিনা দুয়োৰে মাজত যুঁজ লাগিল। বাকে বুঢ়াক ধৰিব লয়, কিন্তু ধৰিব নোৱাৰে। দুয়োৰে মাজত হতাহতি বগৰা-বগৰি চলিল। বুঢ়াই চল চাই বাকৰ গাত বৰশী বান্ধি থোৱা হাতেৰে আঁচোৰ মাৰি তাক তেজাল কৰিলে। বাকে গগন ফালি চিঞৰ মাৰিলে। বাক দুৰ্বল হৈ যোৱাত তাক আকৌ আঁচোৰি ধৰি ধৰি লৈ জালৰ গুৰাৰ মালাজাল বাকৰ ডিঙিত ওলোমাই মন্ত্ৰ মাৰি থোৱা সৰিয়হখিনি ছটিয়াই দিয়াত বাকৰ শোঁহ বন্ধ হৈ গৈ মৃত্যুমুখত পৰে। এনেকৈয়ে বুধিয়ক বংকুট বুঢ়াই বাকক বধ কৰে আৰু পাছলৈ সেই দৰনিৰ বিলখনত পাঁৱৰ মানুহবোৰে একেলগে মাছ মাৰিবলৈ ধৰিলে। তেতিয়াৰ পৰাই মিছিং সকলে ঘৰত জালৰ গুৰা আৰু সৰিয়হ বান্ধি থয় আৰু কেচুঁৱা জন্ম হলে মাক আৰু কেচুঁৱাক সৰিয়হ আৰু জালৰ গুৰা হাতত বান্ধি দিয়ে যাতে ভূত-প্ৰেতৰ পৰা হাত সাৰে।

নীতিশিক্ষা :

"বুদ্ধি যাৰ বল তাৰ।"

Scanned with CamScanner

মিচিং শব্দার্থ

Jo:g u:i´ — বাক
(জগ উই)

য়ায় — আইতা

তাত — কাকা

নামচিং — শুকটি

বাবং — বোঁরাচাং

Scanned with CamScanner